# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা ফোনযোগে ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে বিৱৰণ দাঙি ধৰে। বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত ৰাজ্যখনক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী শ্বাহে মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও ব্ৰহ্মপুত্ৰ, বুঢ়ী দিহিং আৰু দিচাং নৈৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ৰাজ্যত বানৰ ফলত ৯৩ জন লোকৰ মৃত্যু হৈছে।

ইপিনে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি শিৱসাগৰৰ টেঙাপানীৰ পৰা দিচাংমুখলৈ মথাউৰি পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৯ কোটি টকা ব্যয়ৰে ৰূপায়ণ হৈ থকা মথাউৰিটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংগ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ উন্নয়নমূলক কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে বান পৰিস্থিতিৰো খতিয়ান লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে জিলাখনৰ আহোম পথাৰ গাঁৱত জলজীৱন মিছনৰ অধীনত স্থাপন কৰা পানীযোগান আঁচনি উদ্বোধন কৰে।

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এক্স যোগে জনোৱা অনুসৰি ব্ৰহ্মপুত্ৰ বাঢ়নী পানীয়ে ছিগি নিয়া মাজুলীৰ যুগুনিধাৰী মথাউৰিটোৰ দ অংশ অত্যাধুনিক প্ৰযুক্তিৰে জিঅ' বেগত মাটি ভৰাই সম্পূৰ্ণ কৰা হৈছে। লগতে মথাউৰিটোৰ ছিগা অংশৰ দুয়োটা মূৰ ১৫ দিনৰ ভিতৰত অত্যাধুনিক প্ৰযুক্তিৰে সংযোগ কৰা হৈছে। জলসম্পদ বিভাগৰ অধীনত ৰাজ্যৰ ছিগা মথাউৰিৰ মেৰামতিৰ কাম পূৰ্ণগতিত চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যৰ দৰিদ্ৰতাৰ হাৰ ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত প্ৰকাশ কৰে। দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিভিন্ন হিতাধিকাৰীৰ আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ সমৰ্থ হৈছে। নিটি আয়োগে কালি প্ৰকাশ কৰা বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচক বৃদ্ধি পোৱা প্ৰসংগতো মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। নিটি আয়োগৰ বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচকত অসমৰ স্কৰ ৭১ লৈ বৃদ্ধি পোৱাটো ইতিবাচক দিশ বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে, নিযুত মইনা, অৰুণোদয়, নতুন মহাবিদ্যালয় স্থাপন, ছাত্ৰীক স্কুটী বিতৰণ আদি ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিয়ে বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচক বৃদ্ধি কৰে।

০০০০০

ৰাজ্য চৰকাৰে আজি এক লাখ নিযুক্তি প্ৰদানৰ অংশ হিচাপে ৪১ গৰাকী প্ৰাৰ্থীক শিক্ষা বিভাগত নিযুক্তি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰে। লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী যোগ্য প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰে। এই নিযুক্তি প্ৰদানৰ ফলত এইপৰ্যন্ত ৯৭ হাজাৰ ৪৯৫টা পদত নিযুক্তি সম্পূৰ্ণ হয়। আনহাতে, অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত বিভাগটোত আৰু ১৩ হাজাৰ পদ পূৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বহিঃৰাজ্যৰ প্ৰাৰ্থীক চাকৰি দিয়াৰ বাতৰিও মুখ্যমন্ত্ৰীগৰাকীয়ে অস্বীকাৰ কৰে।

০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পাঠ্যক্ৰম আৰু প্ৰশ্নৰ আৰ্হি আজি ৰাজ্য চৰকাৰে প্ৰকাশ কৰে। ঘোষণা কৰা বিষয়বস্তু অনুসৰি চতুৰ্থ বৰ্গৰ বাবে লিখিত পৰীক্ষা দুটা শাখাত অনুষ্ঠিত হ'ব। প্ৰথম শাখাত অষ্টম শ্ৰেণী পৰ্যন্ত আৰু  দ্বিতীয় শাখাত দশম শ্ৰেণীৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰশ্নকাকত অসমীয়া ভাষাৰ লগতে হিন্দী, বাংলা, ইংৰাজী আৰু বড়ো ভাষাত উপলব্ধ হ'ব। ১৩৫ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব আৰু প্ৰতিটো প্ৰশ্নত এক নম্বৰ থাকিব। প্ৰতিটো ভুল উত্তৰৰ বাবদ দশমিক ২৫ নম্বৰ কটা যাব। আনহাতে তৃতীয় বৰ্গৰ পৰীক্ষা তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰথম শাখা স্নাতক পৰ্যায় আৰু দ্বিতীয় শাখা উচ্চতৰ মাধ্যমিক পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰথম শাখাত মুঠ ১৫০টা প্ৰশ্ন থাকিব আৰু মুঠ নম্বৰ হ'ব ১৭৫। দ্বিতীয় শাখাত ১৫০ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় শাখাত চালকৰ বাবে অনুষ্ঠিত পৰীক্ষাত মেট্ৰিকত উত্তীৰ্ণ প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। তৃতীয় শাখাতো ১৫০ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় বৰ্গৰ পৰীক্ষাতো প্ৰতিটো ভুল উত্তৰৰ বাবে দশমিক ২৫ নম্বৰ কৰ্তন কৰা হ'ব।

০০০০০

সমাপ্ত